***স্মাৰ্ট ছিটি মানে সকলো ধৰণৰ আধুনিক সা-সুবিধাৰ লগতে আহল-বহল বাট-পথ, সুন্দৰ খোৱাপানী আৰু বিজুলী যোগান আৰু সেউজীকৰণ, পাৰ্ক, বনাঞ্চল আদি থকা আধুনিক ঠাই। দিল্লীৰ কাষতে লাগি থকা নয়ডা চহৰখনক ভাৰতবৰ্ষত স্মাৰ্ট ছিটিৰ প্ৰথমখন বুলি ক'ব পৰা যায়। কাৰণ ইয়াত স্মাৰ্ট ছিটি এখনত থাকিবলগীয়া সকলো ধৰণৰ সা-সুবিধাবোৰ আছে।***

# স্মাৰ্ট ছিটি, ওখলা, নয়ডা আৰু গুৱাহাটী

**হেমন্ত বৰগোহাঁই**

বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰখনে, সমগ্ৰ ভাৰতৰ বছা বছা ত্ৰিছখন চহৰক স্মাৰ্ট ছিটিৰ ৰূপ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ত্ৰিছখন চহৰৰ ভিতৰত আমাৰ গুৱাহাটী মহানগৰখনো আছে। স্মাৰ্ট ছিটি মানে সকলো ধৰণৰ আধুনিক সা-সুবিধাৰ লগতে আহল-বহল বাট-পথ, সুন্দৰ খোৱাপানী আৰু বিজুলী যোগান আৰু সেউজীকৰণ, পাৰ্ক, বনাঞ্চল আদি থকা আধুনিক ঠাই। দিল্লীৰ কাষতে লাগি থকা নয়ডা চহৰখনক ভাৰতবৰ্ষত স্মাৰ্ট ছিটিৰ প্ৰথমখন বুলি ক'ব পৰা যায়। কাৰণ ইয়াত স্মাৰ্ট ছিটি এখনত থাকিবলগীয়া সকলো ধৰণৰ সা-সুবিধাবোৰ আছে। ১৯৮০ চনতে ৰাজধানী দিল্লীৰ গাতে লাগি থকা উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধনগৰ জিলাৰ অন্তৰ্গত নতুনকৈ নামকৰণ কৰা গ্ৰেটাৰ নয়ডা (Greater Noida) অঞ্চলত সঞ্জয় গান্ধীয়ে বৃহৎ আন্তৰ্জাতিক উদ্যোগ গঢ়াৰ লগতে আটকধুনীয়াকৈ এখন সুপৰিকল্পিত নগৰ নিৰ্মাণৰ কামৰ শুভ আৰম্ভণি কৰিছিল। গ্ৰেটাৰ নয়ডা দিল্লীৰ আন্তঃৰাজ্যিক চেক গেটৰ পৰা কিছু ভিতৰলৈ আগ্ৰাৰ দিশে অৱস্থিত। গ্ৰেটাৰ নয়ডা অঞ্চলক গঢ় দিয়াৰ পাছত দিল্লী চেক গেটৰ কাষতে থকা নয়ডা অঞ্চলক আধুনিক চহৰৰ ৰূপ দিয়া হয়। তেতিয়াৰ নয়ডাৰ কৰ্মকৰ্তাসকলে আটকধুনীয়াকৈ চহৰখন নিৰ্মাণহে কৰিছিল; কিন্তু স্মাৰ্ট ছিটি নাম দিয়া নাছিল।

ৰাজধানী দিল্লীৰ গাতে লাগি থকা নয়ডা, গ্ৰেটাৰ নয়ডা, দাদৰী, জেৱাৰ আৰু দাংকুৰ আদি ঠাই গৌতম বুদ্ধ জিলাৰ প্ৰধান ঠাই। এইবোৰ ঠাই ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ (National Capital Region, NCR) ভিতৰত পৰে। NCR বুলি ক'লে দিল্লী ৰাজ্যৰ উপৰিও ইয়াৰ চাৰিওফালে সীমাত লাগি থকা হাৰিয়ানাৰ গুৰগাঁও, মেৱাট, ৰহটাক, চনিপট, ৰিৱাৰী, ঝাজিহাৰ (Jhajihar) পানীপথ, পালৱাল, ভিৱানী, মহেন্দ্ৰগড়, জিন্দ আৰু কাৰনাল জিলা (মুঠ তেৰখন জিলা), ৰাজস্থানৰ আলৱাৰ আৰু ভৰতপুৰ জিলা (দুখন) আৰু উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ নগৰৰ উপৰিও মিৰাট, গাজিয়াবাদ, বুলন্দচহৰ, বাঘপট, হাপুৰ, চামলি আৰু মজফৰপুৰ জিলা (মুঠ আঠখন জিলা) সামৰি লোৱা বৃহত্তৰ অঞ্চলটোক বুজায়। বৰ্তমান আমাৰ অসমত যেনেকৈ গুৱাহাটী মহানগৰৰ চাৰিওফালে থকা উপকণ্ঠ অঞ্চলসমূহক অৰ্থাৎ বৰ্নিহাটকে ধৰি মেঘালয় ৰাজ্যৰ সীমালৈকে, বৃহত্তৰ সোণাপুৰ আৰু জাগীৰোড অঞ্চল, বাইহাটা, ৰঙিয়া, উত্তৰ গুৱাহাটী, আমিনগাঁও, হাজো, নলবাৰী আদি ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ অঞ্চলবোৰ ভৱিষ্যতৰ বৃহত্তৰ মহানগৰ অঞ্চলৰ ভিতৰত সামৰি লোৱা হৈছে। এই সমগ্ৰ অঞ্চলটোক আমি ৰাজ্যখনৰ ৰাজধানী অঞ্চল (State Capital Region) বুলি ক'ব পাৰোঁ। এই অঞ্চলটোত মহানগৰৰ নিয়মবোৰ ব্যৱহাৰ হ'ব।

১৯৭৬ চনত পোন প্ৰথমে দক্ষিণ দিল্লীৰ জামিয়ানগৰৰ কাষত থকা ওখলা (Okhla) নামৰ সৰু গাঁও এখনত ১১০ একৰ বা ০.৪৫ বৰ্গকিল'মিটাৰ এলেকাত ঔদ্যোগিক কেন্দ্ৰ হিচাপে গঢ়ি তোলা হয়। এই এলেকাটো Old Kanal Housing & Land Authorityৰ অধীনত আছিল। ইয়াত এপল' হস্পিটেল, হলি ফেমিলি হস্পিটেল, কৈলাস হস্পিটেল আৰু কালকাজী হস্পিটেল নামৰ কেইখনমান হস্পিটেল আছে। মাত্ৰ চাৰিৰ পৰা পাঁচ বছৰৰ ভিতৰতে এই অঞ্চলটো নতুন ঔদ্যোগিক এলেকাৰ বাবে প্ৰয়োজন অনুসাৰে বহুত সৰু হৈ পৰে। সেইবাবে দিল্লী মহানগৰৰ সীমাতে লাগি থকা NCRৰ অন্তৰ্গত উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ নগৰ জিলাৰ গ্ৰেটাৰ নয়ডা (Greater New Okhla Industrial Development Authority) আৰু নয়ডা (New Okhla Industrial Development Authority) নামৰ দুখন ঠাইত পৰ্যায়ক্ৰমে সুপৰিকল্পিতভাৱে ঔদ্যোগিক, আবাসিক, সেউজীকৰণৰ ওপৰত ভিত্তি কৰি অত্যাধুনিক ৰূপত চহৰ দুখন গঢ় দিয়াৰ কাম আৰম্ভ হয়। কিন্তু এই নতুন আধুনিক চহৰ দুখনত 'ওখলা' নামটোকে প্ৰধানকৈ ৰখা হয়। তেনেই চকুত নপৰা পিছপৰা 'ওখলা' নামৰ গাঁওখনৰ নামটোৰেই উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ নগৰ






